# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 21-08-2024
**Time :** 19.10 hrs

## *Assamese Evening Bulletin*

### HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পোলেণ্ড আৰু ইউক্ৰেইনৰ সৈতে সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে দ্বিদেশীয় ভ্ৰমণসূচীৰে ইতিমধ্যে ৱাৰশ্ব'ত উপস্থিত হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গুণগত শিক্ষা, গৱেষণা আৰু উদ্ভাৱনৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয় আৰু ত্ৰিপুৰাত পৰৱৰ্তী দুদিনলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে।

৪। সমগ্ৰ দেশত পৰহিলৈ প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হব। ***আৰু***

৫। নৰ্থ ইষ্ট ইউনাইটেড এফ চি এইবাৰৰ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰা প্ৰথমটো দল হিচাপে পৰিগণিত হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পোলেণ্ড আৰু ইউক্ৰেইনৰ সৈতে সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে দ্বিদেশীয় ভ্ৰমণসূচীৰে ইতিমধ্যে ৱাৰশ্ব'ত উপস্থিত হৈছে। ৱাৰশ্ব'ত সামৰিক বিমান  বন্দৰত উপস্থিত হোৱাৰ পাছত তেওঁক বিপুলভাৱে আদৰণি জনোৱা হয়। শ্ৰীমোদীয়ে  আজি জামচাহেব নৱানগৰ স্মাৰক আৰু মোণ্টে কেচিনো আৰু কোলহাপুৰ স্মাৰকত শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিব। পাছত শ্ৰীমোদীয়ে ৱাৰশ্ব'ত এটা সমূহীয়া অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু ভাৰতীয় সম্প্ৰদায়ৰ লোকৰ সৈতে মত বিনিময় কৰিব।

ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে পোলেণ্ড মধ্য ইউৰোপত ভাৰতৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সহযোগী। তেওঁ কয় যে, ভাৰত আৰু পোলেণ্ডৰ গণতন্ত্ৰ আৰু বহুত্ববাদৰ প্ৰতি পাৰস্পৰিক প্ৰতিশ্ৰুতিবদ্ধতাই দেশ দুখনৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰে। শ্ৰীমোদীয়ে কয় যে, ভাৰত আৰু পোলেণ্ডে দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭০ বছৰ উদযাপন কৰিবলৈ লোৱাৰ সময়তে তেওঁ দেশখনলৈ যাবলৈ ওলাইছে। এই দুদিনীয়া ভ্ৰমণকালত  শ্ৰীমোদীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী ডোনাল্ড টাস্ক আৰু ৰাষ্ট্ৰপতি এন্দ্ৰেজ দুডাৰ সৈতে বৈঠকত মিলিত হ'ব। এয়া বিগত ৪৫ বছৰত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম পোলেণ্ড ভ্ৰমণ।

শ্ৰীমোদীয়ে কয় যে, তেওঁ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কীৰ আমন্ত্ৰণমৰ্মে ইউক্ৰেইনলৈ যাব। এয়া হব ১৯৯২ চনত দ্বিপাক্ষিক সম্পৰ্ক স্থাপনৰ পাছৰে পৰা কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম ইউক্ৰেইন ভ্ৰমণ। ভ্ৰমণৰ

পূৰ্বে দিয়া বিবৃতিটোত শ্ৰীমোদীয়ে অঞ্চলটোলৈ শীঘ্ৰে শান্তি-সুস্থিৰতা ঘুৰি আহিব বুলি আশা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে, তেওঁ ৰাষ্ট্ৰপতি জেলেনস্কিৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰা আৰু ইউক্ৰেইনৰ সংঘৰ্ষৰ শান্তিপূৰ্ণ সমাধানৰ বিষয় লৈ আলোচনা কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ স্বাভাৱিক সম্পৰ্ক অধিক গভীৰ কৰি তুলিব আৰু ভৱিষ্যতৰ বাবে শক্তিশালী ভেটি নিৰ্মাণ কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গুণগত শিক্ষা, গৱেষণা আৰু উদ্ভাৱনৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। হাৰিয়ানাৰ ফৰিদাবাদৰ জে চি বসু বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ পঞ্চম সমাৱৰ্তন সমাৰোহত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেঁও কয় যে নতুন শিক্ষানীতিৰ অধীনত এই বিষয়সমূহ সামৰি লোৱা হৈছে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয় আৰু ত্ৰিপুৰাত পৰৱৰ্তী দুদিনলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে লগতে পৰৱৰ্তী ২৪ ঘণ্টাত কেৰালা আৰু লাক্ষাদ্বীপৰ ঠাই বিশেষে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। উত্তৰাখণ্ড, জম্মু-কাশ্মীৰ, লাডাখ, হিমাচল প্ৰদেশ, উত্তৰ প্ৰদেশ, পূব ৰাজস্থান, পাঞ্জাৱ, হাৰিয়ানা আৰু দিল্লীতো এই সপ্তাহত বৰষুণ হ'ব পাৰে। একেদৰে মধ্য প্ৰদেশ, কোংকন, গোৱা আৰু গুজৰাটত পৰৱৰ্তী ৭ দিনত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে শুকুৰবাৰে গুজৰাটৰ আহমেদাবাদ আৰু গান্ধীনগৰ ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত শ্ৰীধনখড়ে গান্ধীনগৰৰ ৰাষ্ট্ৰীয় ফৰেনচিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সম্বোধন কৰিব। উপৰাষ্ট্ৰপতিয়ে আহমেদাবাদৰ গুজৰাট বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া ধৰ্মা-ধম্মা আন্তৰাষ্ট্ৰীয় সন্মিলনটো মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আই এটা অধ্যয়নত ২০২৪-২৫ বৰ্ষত দেশত ব্যক্তিগত কৰ্পৰেট বিনিয়োগ ৫৪ শতাংশ বৃদ্ধি পাই ২ লাখ ৪৫ হাজাৰ ২১২ কোটি হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰা হৈছে। যোৱা বছৰ এনে বিনিয়োগৰ পৰিমাণ ১ লাখ ৫৯ হাজাৰ ১২২ কোটি টকা আছিল। অধ্যয়নটোত লগতে ২০২৩-২৪ বৰ্ষত ব্যক্তিগত কৰ্পৰেট খণ্ডৰ দ্বাৰা মূলধনী বিনিয়োগ যোৱা বছৰৰ তুলনাত প্ৰায় ৫৭ শতাংশ বৃদ্ধি পোৱা বুলি কোৱা হৈছে। আৰ বি আইয়ে লগতে বৰ্ধিত আয়ৰ বাবে গ্ৰামাঞ্চলত ব্যৱহাৰ বৃদ্ধি পাইছে আৰু ইয়াৰ বাবে চাহিদাও বাঢ়িছে বুলি প্ৰকাশ কৰিছে।

০০০০

সমগ্ৰ দেশত পৰহিলৈ প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হব। যোৱা বছৰ এই দিনটোতে চন্দ্ৰযান -৩ অভিযানৰ বিক্ৰম নামৰ লেণ্ডাৰ যানখনে চন্দ্ৰপৃষ্ঠত নিৰাপদে অৱতৰণ কৰিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ ভাৰত মণ্ডপমত হবলগীয়া এই দিৱসৰ মূল অনুষ্ঠান মুকলি কৰিব।

মহাকাশ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি কয় যে এয়া প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস হব আৰু এয়া অকল উদযাপনৰে দিন নহয় বৰং আত্মানুসন্ধান আৰু ভৱিষ্যতৰ বাবে কাৰ্যপন্থা যুগুতোৱাৰ দিন। ড০ সিঙে কয় যে, মহাকাশ অৰ্থব্যৱস্থা অহা ১০ বছৰত ৫ গুণ বৃদ্ধি পাই ৪ হাজাৰ ৪শ কোটি ডলাৰ হোৱাৰ সম্ভাৱনা আছে। আমাৰ সংবাদদাতাই জনাইছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৩ আগষ্টৰ দিনটো ৰাষ্ট্ৰীয় মহাকাশ দিৱস হিচাপে ঘোষণা কৰিছিল আৰু লেণ্ডাৰ যানখনে অৱতৰণ কৰা ঠাইখিনিক শিৱশক্তি নামেৰে নামকৰণ কৰিছে। ৰাষ্ট্ৰীয় মহাকাশ দিৱসে মহাকাশ অন্বেষনত লাভ কৰা উল্লেখযোগ্য সাফল্যক স্বীকৃতি প্ৰদান কৰে আৰু মহাকাশ প্ৰযুক্তিৰ অগ্ৰগতিত আলোকপাত কৰে। শিক্ষাৰ্থীসকলৰ মাজত মহাকাশ বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰি ভৱিষ্যত প্ৰজন্মক অনুপ্ৰাণিত কৰা আৰু তেওঁলোকক আদৰ্শ প্ৰদান কৰাই  এই দিৱসৰ মূল উদ্দেশ্য।

০০০০

ৰাজ্যসভাত খালী হোৱা অসমৰ দুখন আসনৰ বাবে বিজেপিৰ প্ৰাৰ্থী প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছন ৰঞ্জন দাসে আজি মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰাৰ্থী দুগৰাকীৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক তথা শাসকীয় মিত্ৰজোঁটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। উল্লেখযোগ্য যে অসমৰ ৰাজ্যসভাৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী সন্দৰ্ভত আলোচনাৰ বাবে কালি নতুন দিল্লীত কেন্দ্ৰীয় নেতৃত্বৰ সৈতে বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপটত বিজেপিৰ হৈ প্ৰাৰ্থিত্ব আগবঢ়োৱা দুয়োগৰাকী প্ৰতিনিধি বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাটো প্ৰায় নিশ্চিত হৈ পৰিছে।

ইফালে, বিহাৰত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাষ্ট্ৰীয় লোক মৰ্চাৰ সভাপতি উপেন্দ্ৰ কুশ্বৱাহা আৰু বিজেপিৰ মনন কুমাৰ মিশ্ৰই আজি এন ডি এৰ প্ৰাৰ্থী হিচাপে ৰাজ্যসভাৰ উপ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। মনন কুমাৰ মিশ্ৰ জ্যেষ্ঠ অধিবক্তা তথা ভাৰতীয় বাৰ কাউন্সিলৰ প্ৰাক্তন অধ্যক্ষ আছিল। দুয়োগৰাকী প্ৰাৰ্থীয়ে বিহাৰ বিধানসভাৰ সচিব তথা নিৰ্বাচনী বিষয়াৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। মুখ্যমন্ত্ৰী নিতীশ কুমাৰ, উপ মুখ্যমন্ত্ৰীদ্বয় সামাৰাট   চৌধাৰী, বিজয় কুমাৰ সিনহাসহ এন ডি এৰ জ্যেষ্ঠ নেতাসকল মনোনয়ন পত্ৰ দাখিলৰ সময়ত উপস্থিত থাকে।

০০০০

বাংলাদেশ ক্ৰিকেট পৰিষদৰ অধ্যক্ষ নজমুল হাচান পাপনে   পদ ত্যাগ কৰিছে। ঢাকাত আজি যুৱ আৰু ক্ৰীড়া মন্ত্ৰালয়ত  অনুষ্ঠিত বাংলাদেশ ক্ৰিকেট পৰিষদৰ সঞ্চালকসকলৰ এখন জৰুৰীকালীন বৈঠকৰ পাছত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বাংলাদেশ ক্ৰিকেট পৰিষদৰ বৰ্তমানৰ কাৰ্যকাল অহা বছৰ অক্টোবৰত সমাপ্ত হোৱাৰ কথা আছিল যদিও নজমুলে দেশখনৰ ৰাজনৈতিক প্ৰেক্ষাপটৰ বাবে পদ ত্যাগ কৰিছে।

০০০০

নৰ্থ ইষ্ট ইউনাইটেড এফ চি এইবাৰৰ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰা প্ৰথমটো দল হিচাপে পৰিগণিত হৈছে। নৰ্থ ইষ্ট এফ চিয়ে আজি কোকৰাঝাৰৰ সাই ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন

কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় সেনাৰ ফুটবল দলক ২-০ গলত পৰাস্ত কৰে। খেলখনৰ প্ৰথমাৰ্ধত কোনো এটা দলে গল দিব পৰা নাছিল যদিও বল অধিক সময় নৰ্থ ইষ্ট দলৰ খেলুৱৈৰ অধীনত আছিল। নৰ্থ ইষ্ট দলে খেলৰ দ্বিতীয়াৰ্ধত খেলৰ ৰণকৌশল সলনি কৰি অধিক আক্ৰমনাত্মক খেল প্ৰদৰ্শন কৰে আৰু নেষ্টৰে ৫২ মিনিটত দলটোৰ হৈ প্ৰথমটো গল দিয়ে। গুলেৰ্মোৱে ৭৩ মিনিটত দ্বিতীয়টো গল দি অগ্ৰগতি ২-০ লৈ বৃদ্ধি কৰে। ইপিনে, শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত শ্বিলং লাজং এফ চি- ইষ্ট বেংগলৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে পৰহিলৈ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

২০ বছৰৰ অনুৰ্ধৰ বিশ্ব এথলেটিক্স প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে ভাৰতীয় দল আজি পুৱা পেৰুৰ ৰাজধানী লিমা অভিমুখে ৰাওনা হয়। এই প্ৰতিযোগিতাৰ জেভলীন থ্ৰ'ৰ বাবে পাঞ্জাৱৰ পাটিয়ালাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিষ্ঠানত প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছিল। আনহাতে, প্ৰতিযোগিতাৰ বাকী শিতান সমূহৰ বাবে ভাৰতীয় খেল প্ৰাধিকৰণৰ বাংগালুৰু চৌহদত প্ৰশিক্ষণ শিবিৰ আয়োজন কৰা হৈছিল। ভাৰতীয় খেলুৱৈসকলে ব্যক্তিগত শিতানৰ উপৰি 4x400 মিটাৰ ৰীলে আৰু 4x400 মিটাৰ মিক্সড ৰীলেত অংশ ল'ব।

০০০০

**ঃঃ সমাপ্ত ঃঃ**